# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-06-2024
**Time :** 19-10 Hrs

# Assamese Evening Bulletin

::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে জম্মু কাশ্মীৰলৈ যাব।

২। দিল্লীৰ এখন আদালতে দিল্লী আৱকাৰী নীতি সম্পৰ্কীয় কলাধন বৈধকৰণৰ গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ন্যায়িক জিম্মাৰ ম্যাদ ৩ জুলাইলৈ বৃদ্ধি কৰিছে।

৩। কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে আজি কৈছে যে, কেৱল জনজাতীয় লোকসকল ৰক্তাল্পতা ৰোগত ভূগে বুলি সমাজত এটা ভুল ধাৰণা আছে।

৪। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই সংসদ ভৱন চৌহদত থকা বিশিষ্ট নেতাসকলৰ প্ৰতিমুৰ্তিৰ স্থানান্তৰক লৈ প্ৰশ্ন উত্থাপন কৰিছে। *আৰু*

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে জম্মু কাশ্মীৰলৈ যাব। তাত তেওঁ এহেজাৰ ৫শ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ৮৪ টা গুৰুত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে লগতে কাইলৈ শ্ৰীনগৰত আয়োজিত যুৱ প্ৰজন্মৰ সৱলিকৰণ, জম্মু-কাশ্মীৰৰ পৰিৱৰ্তন  শীৰ্ষক এটা অনুষ্ঠানত অংশ গ্ৰহণ কৰিব। তেওঁ দুহেজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰাৰ লগতে এহেজাৰ ৮শ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া কৃষি আৰু আনুসংগিক ক্ষেত্ৰত প্ৰতিযোগিতাত উন্নয়ন ব্যৱস্থা মুকলি কৰিব। শ্ৰীমোদীয়ে পৰহিলৈ যোগাভ্যাস সত্ৰত অংশগ্ৰহণ কৰি আৰু সমাবেশক সম্বোধন কৰি শ্ৰীনগৰত দশম আন্তৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত নেতৃত্ব দিব।

০০০০

দিল্লীৰ এখন আদালতে আজি দিল্লী আৱকাৰী নীতি সম্পৰ্কীয় কলাধন বৈধকৰণৰ গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু এজন অন্য অভিযুক্ত বিনোদ চৌহানৰ ন্যায়িক জিম্মাৰ ম্যাদ ৩ জুলাইলৈ বৃদ্ধি কৰিছে। ন্যায়িক জিম্মাৰ ম্যাদ সম্পূৰ্ণ হোৱাৰ পিছত তিহাৰ কাৰাগাৰৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আদালতৰ সন্মুখত হাজিৰ হোৱাৰ সময়ত ন্যায়ালয়ে এই ৰায় দিয়ে। বিধি  বলবৎকাৰী সঞ্চালকালয়ে যোৱা ২১ মাৰ্চত শ্ৰীকেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল। বিধি বলবৎকাৰী সঞ্চালকালয়ৰ গোচৰত প্ৰাক্তন মন্ত্ৰী মনিষ চিচোদিয়াসহ মুঠ ৩৮ গৰাকী অভিযুক্ত আছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, Sickle cell ৰক্তাল্পতা ৰোগ সম্পৰ্কীয় প্ৰত্যাহ্বানসমূহ দূৰ কৰিবলৈ চৰকাৰে প্ৰযুক্তিৰ সামৰ্থ ব্যৱহাৰ কৰিছে। বিশ্ব Sickle cell ৰক্তাল্পতা দিৱস উপলক্ষে শ্ৰীমোদীয়ে এই ৰোগ নিয়ন্ত্ৰণ কৰিবলৈ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে। সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা এটা বাৰ্তাত তেওঁ কয় যে, কেন্দ্ৰই ৰাষ্ট্ৰীয় Sickle cell ৰক্তাল্পতা দূৰীকৰণ অভিযান মুকলি কৰাৰ লগতে এই ৰোগৰ সাৰ্বজনীন পৰীক্ষা, শীঘ্ৰে নিৰ্নয়, সঠিক যত্ন, তথা সজাগতা সৃষ্টিকে ধৰি বিভিন্ন দিশ সন্দৰ্ভত কাম কৰি আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই কয় যে চৰকাৰে ৰক্তাল্পতাত ভূগি থকা লোকসকলৰ উন্নতমানৰ যত্ন লোৱা, তেওঁলোকৰ বাবে সুলভ চিকিৎসা সুনিশ্চিত কৰা তথা শীঘ্ৰে ৰোগ চিনাক্তকৰণকে ধৰি বিভিন্ন দিশত গুৰুত্ব আৰোপ কৰিছে।

০০০০

কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে আজি কৈছে যে, কেৱল জনজাতীয় লোকসকল ৰক্তাল্পতা ৰোগত ভূগে বুলি সমাজত এটা ভুল ধাৰণা আছে। নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত আয়োজিত ৰক্তাল্পতা ৰোগ সন্দৰ্ভত সজাগতা সৃষ্টি বিষয়ক এখন ৰাষ্ট্ৰীয় সন্মিলনত সমবেত লোকসকলক সম্বোধন কৰি শ্ৰীওৰামে কয় যে এই ৰোগে যিকোনো লোককে আক্ৰান্ত কৰিব পাৰে আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত অধিক সংখ্যক জনসাধাৰণ এই সন্দৰ্ভত সজাগ হোৱা উচিত। তেওঁ লগতে কয় যে, এই ৰোগৰ চিকিৎসাক মানৱীয় বিকাশৰ দৃষ্টিভংগীৰে চোৱা উচিত। তেওঁ লগতে এই ৰোগৰ পৰা হাত সাৰিবৰ বাবে গাওঁ পঞ্চয়ত আৰু অঙ্গনবাড়ী কেন্দ্ৰসমূহৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ কাম-কাজ অতি গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰে। কেইবাটাও মন্ত্ৰালয় তথা বিভাগ এই সন্দৰ্ভত থকা প্ৰত্যাহ্বান সম্পৰ্কে অৱগত নহয় বুলি উল্লেখ কৰি তেওঁ বিভাগসমূহৰ মাজৰ আন্তঃশৃংখলা পূৰ্ণ সহযোগিতা গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত কেইবাগৰাকীও চিকেল চেল ৰোগীৰ সৈতে মত বিনিময় কৰে। আকাশবাণীৰ সংবাদদাতাৰ সৈতে মত বিনিময় কৰি হিমটলজী বিভাগৰ অধ্যাপক ড° প্ৰভাস মিশ্ৰই কয় যে এই ৰোগ শীঘ্ৰে চিনাক্তকৰণৰ বাবে প্ৰান্তীয় অঞ্চলসমূহত সুলভ মূল্যত ৰক্তাল্পতা ৰোগ পৰীক্ষণৰ ব্যৱস্থা কৰা উচিত। আনহাতে, হিমট'অনক'লজিষ্ট ড° দীনেশ পেণ্ডাৰকাৰে কয় যে, ৰক্তাল্পতা ৰোগৰ লক্ষণাক্ৰান্ত লোক শীঘ্ৰে সমীপৰ স্বাস্থ্য কেন্দ্ৰলৈ যোৱা উচিত।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ

ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই সংসদ ভৱন চৌহদত থকা বিশিষ্ট নেতাসকলৰ প্ৰতিমূৰ্তিৰ স্থানান্তৰক লৈ প্ৰশ্ন উত্থাপন কৰিছে। তেওঁ মহাত্মা গান্ধী, ড০ বাবাচাহেব আম্বেদকাৰ আৰু অন্য ৰাষ্ট্ৰীয় নেতাসকলৰ প্ৰতিমুতি সংসদ ভৱন চৌহদৰ মূল স্থানলৈ পুনৰ স্থানান্তৰিত কৰিবলৈ দাবী জনাইছে।

শ্ৰীখাৰ্গে আজি এই সন্দৰ্ভত ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়লৈ এখন পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনত তেওঁ কোনো ধৰণৰ আলোচনা অবিহনে ইচ্ছামতে এই মুৰ্তিসমূহ আতৰ কৰা কাৰ্যই গণতন্ত্ৰৰ মূল ভাৱনা ভংগ কৰা বুলি উল্লেখ কৰিছে। তেওঁ কয় যে, প্ৰতিটো মুৰ্তি আৰু মুৰ্তিসমূহ স্থাপন কৰা সংসদ ভৱন চৌহদৰ প্ৰতিটো অংশৰ বিশেষ গুৰুত্ব আছে। শ্ৰীখাৰ্গে কয় যে, সংশ্লিষ্ট পক্ষসমূহৰ সৈতে সঠিক আলাপ আলোচনা অবিহনে মুৰ্তিসমূহ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু এয়া সংসদীয় পৰম্পৰা আৰু নীতি নিয়মৰ পৰিপন্থী।

লোকসভা সচিবালয় ইতিমধ্যে মহান নেতাসকলৰ প্ৰতিমুৰ্তি স্থানান্তৰিত কৰাৰ অভিযোগ খণ্ডন কৰি কৈছে যে, এই মুৰ্তিসমূহ সংসদ ভৱন চৌহদৰ পৰা আঁতৰ কৰা হোৱা নাই। মুৰ্তিসমূহ প্ৰণালীবদ্ধভাৱে আৰু সন্মান সহকাৰে সংসদ ভৱন চৌহদত স্থাপন কৰা হৈছে বুলি সচিবালয়ে উল্লেখ কৰিছে।

০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট প্ৰস্তুতিৰ অংশ হিচাপে আজি নতুন দিল্লীত আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে প্ৰথমলানি প্ৰাক বাজেট আলোচনাত মিলিত হয়। এই বৈঠকত বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰী, বিত্ত সচিব, অৰ্থনৈতিক পৰিক্ৰমা, ৰাজহ, বিত্তীয় সেৱা আৰু কোম্পানী পৰিক্ৰমা বিভাগৰ সচিবসকল আৰু মুখ্য অৰ্থনৈতিক উপদেষ্টা উপস্থিত থাকে।

০০০০

দেশৰ ভালেমান অংশত গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপলৈ চাই কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি গ্ৰীষ্ম প্ৰবাহজনিত পৰিস্থিতি আৰু কেন্দ্ৰীয় চৰকাৰৰ চিকিৎসালয়সমূহৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলায় আৰু চিকিৎসালয়সমূহক গ্ৰীষ্ম প্ৰবাহৰ ফলত হোৱা ৰোগৰ চিকিৎসাৰ বাবে বিশেষ গোটৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে বিষয়াসকলক সকলো চিকিৎসালয়ত প্ৰভাৱিতসকলৰ বাবে সৰ্বোৎকৃষ্ট চিকিৎসাৰ সুনিশ্চিত কৰিবলৈ কয়। সূত্ৰৰ পৰা জানিব পৰা মতে, স্বাস্থ্য মন্ত্ৰালয়ে বিশেষকৈ উত্তৰ ভাৰতত অব্যাহত থকা গ্ৰীষ্ম প্ৰবাহৰ প্ৰভাৱলৈ চাই নতুন পৰামৰ্শৱলী যুগুতাই উলিওৱাৰ বাবে কাম কৰি আছে। ইপিনে, দিল্লীৰ ৰাম মনোহৰ লোহিয়া হাস্পতালে বিগত ৩ সপ্তাহত চিকিৎসালয়খনত প্ৰচণ্ড গৰমৰ ফলত হোৱা ষ্ট্ৰকত পৰি ৯ জন লোকে প্ৰাণ হেৰুৱাৰ কথা নিশ্চিত কৰিছে।

চফদৰজং চিকিৎসালয়ো গ্ৰীষ্মপ্ৰবাহজনিত ৰোগত ৯ জন লোকৰ মৃত্যু হোৱা বুলি জানিবলৈ দিছে।

০০০০

দেশত গ্ৰীষ্ম প্ৰবাহ অব্যাহত থকাৰ সমান্তৰালকৈ শক্তিৰ চাহিদাও অভূতপূৰ্বভাৱে বৃদ্ধি হৈছে। কয়লা মন্ত্ৰালয়ে দেশৰ তাপবিদ্যুৎ প্ৰকল্পসমূহত পৰ্যাপ্ত পৰিমাণৰ শক্তি মজুত আছে বুলি সদৰি কৰিছে। মন্ত্ৰালয়ে আজি প্ৰকাশ কৰা বিজ্ঞপ্তি অনুসৰি বিগত বছৰৰ তুলনাত চলিত বছৰত কয়লা চালিত শক্তিৰ চাহিদা ৭ দশমিক ৩ শতাংশ বৃদ্ধি হৈছে। এই চাহিদা এতিয়ালৈ সৰ্বাধিক বুলিও বিজ্ঞপ্তিটোত কোৱা হৈছে। ইপিনে, তাপবিদ্যুৎ প্ৰকল্পসমূহত কয়লাৰ মজুত যথেষ্ট বৃদ্ধি হৈছে। বৰ্তমান দেশৰ তাপবিদুৎ প্ৰকল্পসমূহত এই পৰিমাণে ৪৫ মিলিয়ন টন অতিক্ৰম কৰিছে। বিগত বছৰৰ একেই সময়ছোৱাৰ ৩৪ দশমিক ২-৫ মিলিয়ন টনৰ তুলনাত এই বৃদ্ধি ৩১ শতাংশ অধিক। মন্ত্ৰালয়ে সদৰি কৰা অনুসৰি খনিজাত দ্ৰব্য, সৰবৰাহ, তাপবিদ্যুৎ প্ৰকল্পকে ধৰি দেশজুৰি মজুত থকা মুঠ কয়লাৰ পৰিমাণে ১৪৪ দশমিক ৬-৮ মিলিয়ন মেট্ৰিকটন অতিক্ৰম কৰিছে।

০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব। এই পৰ্যায়ৰ আটাইকেইখন খেল ৱেষ্ট ইণ্ডিজত অনুষ্ঠিত হ'ব। ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আজি আমেৰিকা যুক্তৰাষ্ট্ৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। মুঠ আঠটা দলে ছুপাৰ এইট পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। দলসমূহক দুটা ভাগত বিভক্ত কৰা হৈছে। ভাৰত, অষ্ট্ৰেলিয়া, বাংলাদেশ আৰু আফগানিস্তানক প্ৰথমটো গ্ৰুপত স্থান দিয়া হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক দ্বিতীয়টো গ্ৰুপত অন্তৰ্ভুক্ত কৰা হৈছে।

প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। ছুপাৰ এইট পৰ্যায়ত প্ৰতিটো দলে তিনিখনকৈ খেল খেলিব আৰু ছেমি ফাইনেলত প্ৰৱেশৰ বাবে কমেও দুখন খেলত জয়ী হ'ব লাগিব। ছেমি ফাইনেলত বিজয়ী দল দুটাৰ মাজত ২৯ জুনত বাৰবাডোছত ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ